**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

::::::::::::::::::::::::::::::::::::::

লোকসভা নিৰ্বাচনৰ ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে বিভিন্ন ৰাজনৈতিক দলে সমষ্টিসমূহত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ষষ্ঠ পৰ্যায়ৰ নিৰ্বাচনৰ বাবে পৰহিলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। ২৫ মে' আৰু ১ জুনত হ'বলগীয়া এই দুটা পৰ্যায়ত ৫৭টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ইতিমধ্যে ৫টা পৰ্যায়ত ৪২৮টা সমষ্টিৰ বাবে ভোটগ্ৰহণ সম্পন্ন হৈছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মতিহাৰীৰ গান্ধী ময়দানত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। প্ৰধানমন্ত্ৰীয়ে ভাষণত কংগ্ৰেছক এটা পৰিয়ালকেন্দ্ৰিক দল বুলি অভিহিত কৰাৰ লগতে দলটোৱে মাত্ৰ এটা পৰিয়ালৰ স্বাৰ্থ সিদ্ধিৰ হকে কাম কৰি আহিছে বুলি অভিযোগ তোলে। লোকসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁটৰ পতন ঘটিব বুলি তেওঁ দাবী কৰে। শ্ৰীমোদীয়ে কয় যে, জনসাধাৰণে নিৰ্বাচনত দুৰ্নীতিৰ গোচৰ আৰু ভাৰত বিৰোধী অভিযানত লিপ্ত হোৱাসকলক যোগ্য প্ৰত্যুত্তৰ দিব। তেওঁ লগতে দুখীয়া জনসাধাৰণক বিদ্যুৎ আৰু ৰন্ধন গেছৰ সংযোগ প্ৰদানৰ বাবে লোৱা পদক্ষেপৰ ওপৰত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, আই এন ডি আই মিত্ৰজোঁট একবিংশ শতিকাৰ আশা-আকাংক্ষাৰ সৈতে খোজ মিলাব নোৱাৰে আৰু একমাত্ৰ এন ডি এহে এই সপোনসমূহ বাস্তৱায়িক কৰিবলৈ সক্ষম। তেওঁ লগতে কেন্দ্ৰত এখন নিৰ্ণায়ক চৰকাৰেহে পৰৱৰ্তী ৫ বছৰত অধিক ক্ষিপ্ৰতাৰে উন্নয়নমূলক কাম সম্পন্ন কৰিব বুলি আশ্বাস দিয়ে। শ্ৰীমোদীয়ে আজি বিহাৰৰ মহাৰাজগঞ্জ সংসদীয় সমষ্টিৰ অধীনৰ গৰিয়াকোঠিত দ্বিতীয়খন নিৰ্বাচনী সভাত ভাগ লয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি হাৰিয়ানা আৰু ৰাজধানী দিল্লীত প্ৰচাৰ চলায়। আজি পুৱা তেওঁ হাৰিয়ানাৰ ৰোহটকৰ পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে। তেওঁ জিন্দত এটা ৰোড শ্ব'ত অংশ লোৱাৰ পাছত দিল্লীলৈ ৰাওনা হয়। আজি সন্ধিয়া তেওঁ দিল্লীত কেইবাখানো ৰাজহুৱা সভাক সম্বোধন কৰিব। একেদৰে দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ওড়িশাৰ ছম্বলপুৰ, কেন্দুঝাৰ আৰু ধেংকানালত ৰাহুহুৱা সভাত ভাষণ দিয়ে। তেওঁ বিয়লি নায়াগড়ত এখন ৰাজহুৱা সভাক সম্বোধন কৰে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি হাৰিয়ানাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। তেওঁ চণ্ডিগড়ত এখন সংবাদমেলক সম্বোধন কৰে। জনসভাত দিয়া ভাষণত শ্ৰীখাৰ্গেই এন ডি এ চৰকাৰে বিগত ১০ বছৰত কৃষক আৰু সেনা জোৱানসকলক সুবিধাৰ পৰা বঞ্চিত কৰিছে বুলি উল্লেখ কৰে। চৰকাৰে গ্ৰহণ কৰা অগ্নিবীৰ যোজনাই সেনা বাহিনীত ভৰ্তি হ'বলৈ প্ৰস্তুতি চলাই থকা হাৰিয়ানাৰ যুৱকসকলৰ যাত্ৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মথুৰাপুৰ লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়।

দিল্লীতো সাতোখন সংসদীয় আসনৰ বাবে প্ৰচাৰ তুংগত উঠিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছে শনিবাৰে ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিকেইটাৰ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে সৰ্বতো প্ৰকাৰে চেষ্টা চলাইছে।

আম আদমী পাৰ্টী আৰু কংগ্ৰেছে মূল্যবৃদ্ধি, কৰ্ম সংস্থাপনহীনতা আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিজেপিয়েও সুৰা নীতি কেলেংকাৰী আৰু অনিয়মৰ অন্যান্য ঘটনাক লৈ আম আদমী পাৰ্টীক তীব্ৰ সমালোচনা কৰিছে। আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উত্তৰ-পূব দিল্লীত এটা ৰোড শ্ব'ত অংশ ল'ব। দিল্লী কংগ্ৰেছৰ সভাপতি দেৱেন্দ্ৰ যাদৱ আৰু অন্যান্য নেতাসকলে মহানগৰখনৰ বিভিন্ন অংশত প্ৰচাৰ চলাইছে।

০০০০০

সমগ্ৰ দেশত আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হৈছে। ১৯৯১ চনৰ ২১ মে'ত এল টি টি ইৰ আত্মঘাতী বোমাৰুৰ আক্ৰমণত চেন্নাইৰ সমীপৰ এখন গাঁৱত প্ৰাণ হেৰুওৱা প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। সমাজ আৰু ৰাষ্ট্ৰৰ ওপৰত সন্ত্ৰাসবাদ আৰু হিংসাৰ নেতিবাচক প্ৰভাৱৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ  মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছৰ সংসদীয় দলৰ নেত্ৰী ছোনিয়া গান্ধী আৰু কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়েও ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নতুন দিল্লীৰ বীৰভূমিত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধিত পুষ্পাৰ্ঘ্য তৰ্পণ কৰে। দলৰ সভাপতি খাৰ্গেই এক্স হেণ্ডেলত দিয়া এটা বাৰ্তাত কয় যে, একবিংশ শতিকাৰ আধুনিক ভাৰতৰ দূৰদৰ্শী, ভাৰতীয় তথ্য বিপ্লৱৰ জনক, পঞ্চায়তীৰাজ ব্যৱস্থাৰ সৰলীকৰণৰ স্থপতি, শান্তি আৰু সমৃদ্ধিৰ পথ প্ৰদৰ্শক এই নেতাগৰাকীৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব।

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি আয়োজনৰ ব্যৱস্থা কৰা হয়। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাকে ধৰি দলৰ নেতা-কৰ্মীসকলে শ্ৰদ্ধা নিবেদন কৰে। সংবাদ মাধ্যমৰ আগত শ্ৰীবৰাই প্ৰয়াত গান্ধীৰ উদ্যোগত অসম আন্দোলনৰ পৰিসমাপ্তি ঘটাই অসম চুক্তি স্বাক্ষৰ কৰা হৈছিল বুলি মন্তব্য কৰে। যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ লগতে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়ত আজি প্ৰয়াত গান্ধীৰ মৃত্যুৰ দিনটো সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে আজি জিলা প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰীয়ে সন্ত্ৰাসবাদ তথা সকলো ধৰণৰ হিংসাৰ বিৰুদ্ধে যুঁজ দিয়াৰ সংকল্প গ্ৰহণ কৰে। তেওঁলোকে হিংসা আৰু সন্ত্ৰাস প্ৰতিৰোধৰ লগতে মানৱীয় প্ৰমূল্যৰ আধাৰত শান্তিপূৰ্ণ সমাজ গঠনত সেৱা আগবঢ়াই যোৱাৰ অংগীকাৰ লয়।

০০০০০

যোৰহাট জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি যোৰহাটত শিশু সুৰক্ষা সজাগতাসভা অনুষ্ঠিত হয়। বাল্যবিবাহ, শিশু সুৰক্ষা আৰু শিশু শ্ৰমিক আদি বিভিন্ন বিষয়ৰ ওপৰত জিলা শিশু সুৰক্ষা বিষয়াই সাধাৰণ ভাষাত দৃশ্য শ্ৰাব্য শ্লাইডৰ জৰিয়তে বিষদ আলোচনা আগবঢ়ায়।

০০০০০

নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ট্ৰেকিং অহা ২৮ মে'ৰ পৰা বন্ধ থাকিব। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় আৰু ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষিত প্ৰাধিকৰণে এই সন্দৰ্ভত  নিৰ্দেশনা জাৰি কৰিছে। পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত এই নিৰ্দেশ কাৰ্যকৰী হৈ থাকিব বুলি পশ্চিম অসম বন্যাপ্ৰানী সংমণ্ডলৰ বন বিষয়াই জানিবলৈ দিছে।

ooooo

গুৱাহাটীত জালনোটৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে।  পাণবজাৰ আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি ৰিজাৰ্ভ বেংকৰ সমীপত বুজন পৰিমাণৰ জালনোটসহ মুকেশ ছাহু নামৰ এটা জালনোটৰ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে।

ooooo

ছান ৰাইজাৰ্ছ হায়দৰাবাদ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱালিফায়াৰ ৱানত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

ooooo

ঃসমাপ্তঃ